# ইজৰাইল-ইৰানৰ যুদ্ধৰ ঐতিহাসিক চমু অৱলোকন

**কুশল কুমাৰ দাস**

মধ্যপ্ৰাচ্যক এতিয়া যুদ্ধৰ ভয়াৱহ ৰূপে ছানি ধৰিছে। প্ৰায় ১৬খন দেশৰ ভিতৰত ভৌগোলিক ক্ষেত্ৰত আটাইতকৈ সৰু ইহুদি বসতিপ্ৰধান একমাত্ৰ দেশ ইজৰাইলক বেঢ়ি আছে কেইবাখনো মুছলিম দেশে। এই সৰু ৰাষ্ট্ৰখনে মধ্যপ্ৰাচ্যত যুদ্ধংদেহি মনোভাবেৰে সকলোকে কম্পমান কৰি ৰাখিছে। ইৰানৰ ভৌগোলিক ক্ষেত্ৰৰ এক-চতুৰ্থাংশৰ দেশ ইজৰাইলে ইৰানৰ সৈতে যুদ্ধ কৰা কথাটো আচৰিত যেন লাগে। ইজৰাইলৰ ভৌগোলিক ক্ষেত্ৰ হৈছে ২১হাজাৰ ৯৩৭ বৰ্গকিলোমিটাৰ আৰু ইৰানৰ ১৬ লাখ ৪৮ হাজাৰ ১৯৫ বৰ্গকিলোমিটাৰ। জনসংখ্যাৰ ক্ষেত্ৰতো ইজৰাইলৰ মাত্ৰ ৯৫ লাখ আৰু ইৰানৰ ৯.২৪ কোটি। ইয়াৰ পৰা অনুমান কৰিব পাৰি আধুনিক প্ৰযুক্তিবিদ্যাৰ দিনত বৃহৎ ভৌগোলিক ক্ষেত্ৰ আৰু অধিক জনসংখ্যাই এখন দেশৰ শক্তি নিৰ্ধাৰণ নকৰে। এখন সৰু দেশেও ইৰানৰ দৰে বৃহৎ দেশক বিপদাপন্ন কৰি ৰখাটো তেনেই সাধাৰণ কথা হৈ পৰিছে। দুয়োপক্ষৰ এই যুদ্ধত ইৰানৰ সৈতে কোনো মুছলিম দেশ চামিল নোহোৱা কথাও আচৰিত হ'বলগা। বিভিন্ন মুছলিম দেশে ইজৰাইলক গৰিহণা দিছে যদিও ইৰানক কোনো মুছলিম দেশে কোনো প্ৰকাৰৰ সহায় কৰা নাই। অৱশ্যে আন্তঃৰাষ্ট্ৰীয় বৈদেশিক নীতিৰ পৰা পিছলি পৰাৰ শংকাও ইয়াৰ লগত জড়িত হৈ থাকে। আনহাতে ইজৰাইল ইৰানৰ প্ৰতিবেশী ৰাষ্ট্ৰও নহয়, মাজত জৰ্ডান, ছিৰিয়া, ছৌডি আৰব আৰু ইৰাক আছে। পৃথিৱীৰ ৫৭ খন মুছলিম দেশৰ ভিতৰত কেৱল পাকিস্তান পৰমাণু শক্তিধৰ দেশ হোৱাৰ পাছত ইৰানে এনে স্বীকৃতি পাবৰ বাবে চেষ্টা কৰি আছে। পৃথিৱীৰ নখন পৰমাণু শক্তিসম্পন্ন দেশৰ ভিতৰত ইজৰাইল নিজে পৰমাণু শক্তিধৰ দেশ যদিও মধ্যপ্ৰাচ্যত একমাত্ৰ ইজৰাইলে ইৰানক এনে শক্তিৰ অধিকাৰী হোৱাটো নিবিচাৰে। এনে শক্তিৰ অধিকাৰী হ'লে ভৱিষ্যতে সৰু সৰু দেশবোৰক ইৰানে নিজৰ নিয়ন্ত্ৰণত ৰখাৰ প্ৰয়াস চলাব আৰু দেশবোৰৰ সাৰ্বভৌমত্বৰ প্ৰতিও ভাবুকি আহিব পাৰে। ইজৰাইল সৰু দেশ হোৱা সত্বেও নিজৰ আধুনিক প্ৰযুক্তিবিদ্যাৰ বলত সামৰিক শক্তিত উন্নত। সাধাৰণতে ৰাষ্ট্ৰ বা ৰাজ্যসমূহৰ সীমামূৰীয়া সংঘাত নতুন কথা নহয়; ভাৰত, পাকিস্তান, চীন, ইৰাক, ইৰান, জৰ্ডান আদি সকলো ৰাষ্ট্ৰৰ মাজৰ সংঘাত গতানুগতিক যদিও ইজৰাইল আৰু ইৰানৰ মাজত সংঘাতৰ ইতিহাস বহুত পুৰণি। দুয়োখন দেশৰ মাজত সততে দুটা বৈশিষ্ট্য দেখা যায়। সীমামূৰীয়া দেশ নহ'লেও পৰস্পৰ শত্ৰু-বন্ধুৰ বিপৰীতধৰ্মী আচৰণ সময়ে সময়ে দেখা যায়। ইৰানে বিভিন্ন মুছলিম সংগঠনৰ দ্বাৰা ইজৰাইলক আক্ৰমণ কৰে আৰু ইজৰাইলেও বিভিন্ন চোৰাংচোৱা সংস্থাৰ দ্বাৰা বিভিন্ন সময়ত ইৰানক আক্ৰমণ কৰি ক্ষতিগ্ৰস্ত কৰি আহিছে। দুয়োখন দেশৰ মাজত বন্ধুত্বৰ আচৰণো আছিল যদিও ইৰানে পাৰমাণৱিক শক্তিধৰ দেশ হোৱাৰ বাবে যিকেইজন বিজ্ঞানীৰ দ্বাৰা কামত হাত দিছিল, তেওঁলোকক ইজৰাইলে হত্যা কৰিছিল। ইয়াৰ পৰা আৰম্ভ হৈছিল দুয়োখন দেশৰ শত্ৰুতা। অৱশ্যে দ্বিতীয় বিশ্বযুদ্ধৰ আগেয়ে ভাৰতৰ দৰে ইজৰাইল ব্ৰিটিছৰ অধীনত আছিল, আনুমানিক খ্ৰিষ্টপূৰ্ব ৪০০০ বছৰ আগেয়ে ইহুদি ধৰ্মৰ লোকে বসতি কৰা দিনৰ পৰা বিশ্বৰ বুকুত ইহুদিৰ উত্থান-পতনৰ নানা ইতিহাস ৰচিত হৈছিল। বিশ্বৰ বুকুত প্ৰব্ৰজনকাৰীৰ ৰূপত চৌদিশে বিয়পি পৰিছিল। ইয়াৰ কাৰণ হিচাপে পেলেষ্টাইনৰ ইহুদি অধ্যুষিত অঞ্চল ৰোম আৰু গ্ৰীক ৰজাই বাৰে বাৰে আক্ৰমণ কৰি ইহুদিমুক্ত কৰে। সেইটো কাৰণত পৃথিৱীৰ বিভিন্ন দেশত ইহুদিয়ে আশ্ৰয় লয়। এটা সময়ত ইউৰোপত ইহুদি বিৰোধী জাগৰণ (anti-semitism) আৰম্ভ হয়। ইয়াৰ ফলতে বিভিন্ন ঠাইত ইহুদিক হত্যা কৰা প্ৰক্ৰিয়া আৰম্ভ হয়। ইয়াৰ পাছতে জাৰ্মেনিত হিটলাৰৰ শাসনকালত ভয়ংকৰ ৰূপত ইহুদি নিধন হয়। দ্বিতীয় বিশ্বযুদ্ধৰ পাছত আমেৰিকা, ব্ৰিটেইন আৰু ৰাষ্ট্ৰসংঘই পেলেষ্টাইনত ইহুদিৰ বাবে নিগাজিকৈ থকাৰ ব্যৱস্থা কৰি দিয়ে। পেলেষ্টাইন দুটা ভাগত বিভক্ত হৈ পেলেষ্টাইন আৰু ইজৰাইল সৃষ্টি হয়। ১৯৪৮ চনত ইজৰাইল নামৰ নতুন ৰাষ্ট্ৰ নিৰ্মাণ হয়। আচৰিত কথা যে ইজৰাইলৰ ইহুদিৰ সুকীয়া ধৰ্মৰ চৌপাশে মুছলিম ৰাষ্ট্ৰসমূহ প্ৰায়ে যুদ্ধত লিপ্ত হয়। ইজিপ্ট, ছৌডি আৰব, ইৰাক, ছিৰিয়া, লেবানন আদি ৰাষ্ট্ৰসমূহে ইজৰাইলৰ ওপৰত আক্ৰমণ কৰে। কিন্তু আচৰিত কথা যে এই সকলো ৰাষ্ট্ৰ ইজৰাইলে প্ৰতিখন দেশক পৰাস্ত কৰিবলৈ সক্ষম হয়। এটা সময়ত ইজৰাইলে পেলেষ্টাইনৰ বৃহৎ অংশ যুদ্ধ কৰি নিজৰ হাতলৈ আনিবলৈ সক্ষম হয়। ইজৰাইলক এখন পূৰ্ণাংগ ৰাষ্ট্ৰ হিচাপে পশ্চিমৰ দেশসমূহে মান্যতা দিয়ে আৰু বহু দেশে এনে মান্যতা দিব খোজা নাছিল। বিশেষকৈ মুছলিম দেশসমূহে এনে মান্যতা দিব খোজা নাছিল। এটা সময় আছিল ভাৰত, পাকিস্তানেও মান্যতা দিয়া নাছিল। মুছলিম দেশসমূহৰ মাজত দুটা বিশেষ ধৰ্মীয় কথাত মতভেদ থাকে। ছিয়া আৰু চুন্নী পৰম্পৰাৰ বাবে ছৌডি আৰবৰ সৈতে ইৰান, ইৰাক, য়েমেনৰ সম্পৰ্ক ভাল নহয়; অৱশ্যে এয়া কোনো ৰাজনৈতিক মতভেদ নহয়, ধৰ্মীয় মতভেদহে। পৃথিৱীৰ বিভিন্ন ধৰ্মৰ ভিতৰত ইহুদি লোকৰ ধৰ্ম আন ধৰ্মৰ দ্বাৰা পীড়িত লাঞ্ছিত হৈছিল। ইয়াৰ পাছতো ইহুদিয়ে পিতৃপুৰুষৰ পৰা পোৱা ধৰ্মৰে এখন ব্যতিক্ৰমী ৰাষ্ট্ৰ হৈ থাকে। ১৯৫০ চনত ইৰানৰ ৰজাই ইজৰাইলক মান্যতা নিদিয়াৰ লগতে পেলেষ্টাইনৰ দ্বিখণ্ডিত ৰূপ মানি লোৱা নাছিল। ৰজাই ভৱিষ্যৎবাণী কৰিছিল যে পেলেষ্টাইন আৰু ইজৰাইলৰ মাজত যুগ যুগ ধৰি যুদ্ধ চলি থাকিব। সেই সময়ত ইৰানক পৰিচালনা কৰাসকল ধৰ্মগুৰু আছিল। নামত মাত্ৰ ৰজাৰ শাসন আছিল। এই সকলো কথাৰ লগত আন এটা কাৰণত ইৰানৰ প্ৰতি পৃথিৱীৰ শক্তিশালী দেশৰ দৃষ্টি পৰিছিল। ইৰান হৈছে খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছৰ ভাণ্ডাৰ। ১৯৫৩ চনত আমেৰিকা আৰু ব্ৰিটেইনে ইৰানক ধৰ্মগুৰুৰ শাসনৰ পৰা মুক্ত কৰি ৰজাই পূৰ্বতে মান্যতা নিদিয়া ইজৰাইলক স্বীকাৰ কৰি লয়। ক্ৰমান্বয়ে ইৰানৰ সৈতে বন্ধুৰাষ্ট্ৰ হৈ পৰে আৰু ইজৰাইলে বেপাৰ-বাণিজ্য কৰিবলৈ লয়। সেই সময়ত ইৰানক মিলিটেৰি প্ৰশিক্ষণ, দূতাবাস আদিৰ সহাৱস্থান দুয়োখন দেশৰ মাজত হৈছিল। লাহে লাহে ইজৰাইল সামৰিক অস্ত্ৰ নিৰ্মাণত পাকৈত হৈ পৰে আৰু সেই সময়ত ইৰানে অধিক অস্ত্ৰ ইজৰাইলৰ পৰা ক্ৰয় কৰিছিল। বিনিময়ত ইজৰাইলে তেল আৰু প্ৰাকৃতিক গেছ ইৰানৰ পৰা আমদানি কৰিছিল। ১৯৬৭ চনত আৰব দেশৰ লগত ইৰানৰ ছদিন যুদ্ধ হৈছিল। লগতে আমেৰিকা আৰু ইজৰাইলক তেল দিয়াত বাধা আৰোপ কৰিছিল। তথাপি ১৯৭৮ চনলৈকে দুয়োখন দেশৰ মাজত বন্ধুত্ব অব্যাহত আছিল। তেতিয়ালৈকে ইজৰাইল আৰু ইৰান আমেৰিকাৰ আপদাৰত চলিছিল। সেই সময়ত পেলেষ্টাইনৰ সৈতে ইজৰাইল বিবাদত লিপ্ত থাকিলেও ইৰানে কোনোধৰণৰ হস্তক্ষেপ নকৰিছিল। পেলেষ্টাইনৰ সৈতে



Scanned with OKEN Scanner

Scanned with OKEN Scanner

ইজৰাইলৰ প্ৰায়ে সংঘৰ্ষ হৈছিল আৰু বহু পেলেষ্টাইনী দেশ এৰি পলাই থাকিবলগা হৈছিল। সময়ৰ লগে লগে ইজৰাইলৰ বিৰুদ্ধে বিভিন্ন সংগঠন সৃষ্টি হৈছিল। উদাহৰণ হিচাপে য়াছেৰ আৰাফতৰ দৰে নেতাই ইজৰাইলৰ বিৰুদ্ধে থিয় দিছিল। এনে সময়ত ইৰানে নিৰৱ ভূমিকা লৈছিল। কাৰণ ইৰানৰ ৰজা আমেৰিকাৰ পক্ষত আছিল। কিন্তু ইৰানী লোকে ৰজাৰ ভূমিকা ভাল পোৱা নাছিল। ইৰানী লোকৰ পেলেষ্টাইনীৰ প্ৰতি সহানুভূতি আছিল বাবে মাজে-সময়ে সাধাৰণ লোকৰ বাবে খাদ্যসামগ্ৰী, বস্ত্ৰ আদিৰে সহায় কৰি আছিল। এনে কথা ৰজাই গম পোৱাৰ পাছত সকলো বন্ধ কৰি দিছিল। কাৰণ আমেৰিকা আৰু ইজৰাইলে বেয়া পোৱা কাম ইৰানে কৰিব নোৱাৰে। ইয়াৰ মাজতে দুয়োখন দেশে কিছুমান গোপন আঁচনিৰ কাম কৰিছিল। আনকি শক্তিশালী মিছাইল প্ৰস্তুতৰ কামতো হাত দিছিল। ইৰানৰ উচ্চ আসনত অধিষ্ঠিত ব্যক্তিক আয়াতুল্লাহ সম্বোধন কৰে আৰু তেতিয়াই ভাৰতৰ উত্তৰ প্ৰদেশত জন্মা আয়াতোল্লাহ ৰোহোল্লা খোমেনি উচ্চ পদত অধিষ্ঠিত হৈছিল। তেৱেঁই প্ৰথম ইৰানৰ ৰজাই আমেৰিকাৰ ছত্ৰছায়াত থকাৰ বিৰোধিতা কৰিছিল। ৰজাৰ বিৰোধিতা কৰিবলৈ আৰম্ভ কৰিছিল কাৰণ তেওঁ প্ৰচাৰ কৰিছিল যে ৰজাৰ সমৰ্থনত আমেৰিকাই ইৰানৰ সমাজ-সংস্কৃতি নষ্ট কৰিছিল। ৰজাই এনে পৰিস্থিতিৰ পৰা মুক্ত হৈ থাকিবলৈ আয়াতোল্লা খোমেনিক জে'লত ভৰাই থয়। তেওঁ বিদেশত নিৰ্বাসিত জীৱন কটাই ১৯৭৮ চনত দেশলৈ ঘূৰি আহে। সেই সময়ত ইৰানত বিভিন্ন আন্দোলনৰ সূত্ৰপাত হৈছিল। ইৰানী লোকৰ মনত খোমেনিৰ আগমনে আশাৰ সঞ্চাৰ কৰি উৎসাহ যোগাইছিল। ইৰানৰ ৰজা চিকিৎসাৰ অজুহাত দেখুৱাই আমেৰিকালৈ যায়। খোমেনিয়ে ৰজাৰ অনুপস্থিতিত তেওঁৰ লগত থকা বিভিন্ন পদৱীধাৰীসকলক দায়িত্বৰ পৰা অব্যাহতি দিয়ে। ১৯৭৯ চনত ৰজাৰ শাসন সমাপ্ত কৰি ইছলামিক ৰিপাব্লিক গঠন কৰে। ইৰানৰ ক্ষমতা দখল কৰি খোমেনি শীৰ্ষতম নেতা হয় আৰু আমেৰিকাক চয়তানৰ দেশ বুলি ঘোষণা কৰাৰ লগতে ইজৰাইলকো একে বিশেষত্বৰ বুলি অভিহিত কৰে। লগতে ইজৰাইলৰ সৈতে থকা সকলো সম্পৰ্ক ছিঙি দিয়ে। এখন দেশ হিচাপে মান্যতা থকা ইজৰাইলক অস্বীকাৰ কৰে; পেলেষ্টাইনৰ সমস্যাবোৰক ইৰানৰ সমস্যা বুলি গণ্য কৰিবলৈ লয়। মুছলিম দেশসমূহক একত্ৰিত কৰিবলৈও প্ৰয়াস চলায়। লগতে পেলেষ্টাইনৰ অধিকাৰ পুনৰ ঘূৰাই অনাৰ বাবে সক্ষম হয়। ১৯৭৯ চনৰ পৰা ইজৰাইল-ইৰানৰ মাজত সংঘাত আৰম্ভ হ'বলৈ ধৰে। ইৰানত আমেৰিকা আৰু ব্ৰিটেইনৰ বিৰুদ্ধে বিক্ষোভ বৃদ্ধি হ'বলৈ ধৰে আৰু ইৰানত থকা আমেৰিকাৰ দূতাবাসত প্ৰৱেশ কৰি ৫২ জন অধিকাৰীক ইৰানে বন্দী কৰি ৰাখে।

সেই সময়ত ইৰানৰ ৰজা আমেৰিকাত আছিল। ৰজাক ইৰানৰ হাতত চমজাই দিয়াৰ দাবী জনায় আৰু গতাই দিলেহে আমেৰিকাৰ ৫২ জন অধিকাৰীক মুক্ত কৰি দিব কাৰণ আমেৰিকাত থকা ইৰানৰ ৰজা শাস্তিৰ যোগ্য বুলি ইৰানে নিশ্চিত কৰিছিল। প্ৰায় ৪৪৪ দিন আমেৰিকান অধিকাৰীক বন্দী কৰি ৰখাৰ সময়ছোৱাতে আমেৰিকাত থকা ৰজা পেহেল'ৰ কেন্সাৰ বেমাৰত মৃত্যু হয়। ইয়াৰ পাছত আলজেৰিয়াৰ মধ্যস্থতাত ৫২ অধিকাৰীক ইৰানে মুক্তি দি আমেৰিকালৈ পঠাই দিয়ে। সময় আগবাঢ়ি যোৱাৰ লগে লগে ইৰানৰ প্ৰতিবেশী ৰাষ্ট্ৰ ইৰাকৰ ঘটনাপ্ৰৱাহে নতুন গতি লাভ কৰে। ইৰান ছিয়া মুছলিম অধ্যুষিত ৰাষ্ট্ৰ হোৱাৰ বিপৰীতে ইৰাকতো ৬৫ শতাংশ ছিয়া মুছলিম যদিও সেই সময়ত ইৰাকৰ ৰাষ্ট্ৰপতি ছাদ্দাম হুছেইন চুন্নী মুছলিম আছিল। ছিয়া-চুন্নীৰ সংঘাতৰ ফলতে ১৯৮০ চনত ইৰাক-ইৰানৰ যুদ্ধ হৈছিল। ইৰাকে প্ৰাকৃতিক সম্পদৰ ভাণ্ডাৰ খুজেস্তান আৰু ছট্ট-অল-আৰব নিজৰ দখললৈ নিবৰ বাবে ইৰানৰ সৈতে যুদ্ধ কৰিছিল। মন কৰিবলগীয়া যে পৃথিৱীৰ বিভিন্ন যুদ্ধৰ লগত আমেৰিকাই প্ৰত্যক্ষ বা পৰোক্ষভাৱে যুদ্ধ নকৰাকৈ থাকিব নোৱাৰে। কাৰণ শক্তিধৰ দেশ হিচাপে সাম্ৰাজ্যবাদী মনোভাব আৰু সম্পদৰ লালসা আমেৰিকাৰ মূল লক্ষ্য। গতিকে ইৰাক-ইৰানৰ যুদ্ধত ছাদ্দাম হুছেইনক সমৰ্থন জনাই ইৰানৰ বিৰুদ্ধে প্ৰতিশোধৰ সুবিধা গ্ৰহণ কৰে। এই যুদ্ধত ছৌডি আৰব, কুৱেইট, জৰ্ডান আদি দেশেও ইৰাকৰ সৈতে হাত মিলাই ইৰানৰ বিৰুদ্ধে থিয় দিয়ে। ক্ৰান্তিকাৰী ইৰানে আন দেশৰ বাবে ভাবুকি সৃষ্টি কৰিব পাৰে বুলিয়ে ইৰাকৰ সৈতে লগ লাগিছিল। সেইসময়ত ৰাজনৈতিক গতিবিধি ওলট-পালট হ'বলৈ ধৰিছিল। ইজৰাইলৰ ভূমিকাই আচৰিত কৰে; কাৰণ ছাদ্দাম হুছেইনে যুদ্ধত জয়লাভ কৰিলে পাৰমাণৱিক শক্তিসম্পন্ন দেশ হৈ আন দেশবোৰৰ ওপৰত আধিপত্য বিস্তাৰ কৰিবলৈ আৰম্ভ কৰিব। তেনে এটা শংকা ঘনীভূত হোৱাত ইজৰাইলে ইৰানক সকলো প্ৰকাৰে সহায় কৰাৰ প্ৰস্তাৱ আগবঢ়ায়। ইৰানে এই প্ৰস্তাৱ গ্ৰহণ কৰি লয়। ইৰানে ইৰাকৰ পাৰমাণৱিক পৰিকল্পনাৰ স্থান সম্পৰ্কে ইজৰাইলক সবিশেষ জনায়। লগতে ইৰানক সামৰিক অস্ত্ৰ-শস্ত্ৰৰ যোগান ধৰে। সেই সময়ত ইজৰাইলে অপাৰেশ্যন অপেৰাৰ জৰিয়তে ইৰাকৰ পাৰমাণৱিক ব্যৱস্থা ধ্বংস কৰে। ইৰাক-ইৰানৰ এই যুদ্ধ ১৯৮০ চনৰ পৰা ১৯৮৮ চনলৈকে চলে আৰু ৰাষ্ট্ৰসংঘৰ হস্তক্ষেপত যুদ্ধৰ যতি পৰে। যুদ্ধত কোনো জয়-পৰাজয় নাছিল যদিও দুয়োখন দেশে যুদ্ধজয়ৰ আনন্দোৎসৱ পাতিছিল। যুদ্ধ সমাপ্তিৰ এবছৰৰ পাছত ১৯৮৯ চনত ভাৰতীয় মূলৰ খোমেনিৰ মৃত্যু হয়। ইয়াৰ পাছতে আয়াতুল্লা খেমেনিৰ পুত্ৰ আলি খোমেনি ইৰানৰ সৰ্বাধিকৰ্তা হয়। তেওঁৰ চিন্তাধাৰা বহু ওপৰত আছিল। মুছলিম দেশসমূহৰ ভিতৰতে ইৰানক শক্তিধৰ দেশ হোৱাটো তেওঁ বিচাৰে। তেওঁৰ মতে ইৰান প্ৰকৃত মুছলমানৰ পুৰণি ঐতিহ্যৰ দেশ। আলি খোমেনি সত্তাত আছিল যদিও ছৌডি আৰব আমেৰিকাৰ আশীৰ্বাদত শক্তিশালী হৈ আছিল, গতিকে আলি খোমেনিৰ বৃহৎ পৰিকল্পনা হ'ল ছিয়া আৰু চুন্নী মুছলমানক একত্ৰিত কৰি এক বৃহৎ শক্তিৰ অধিকৰ্তা হোৱা। সমস্যাটো হ'ল—কেৱল ইৰানহে ছিয়া শ্ৰেণীৰ; আন দেশবোৰ চুন্নী মুছলিমৰ বসতিস্থল। ছিয়া আৰু চুন্নী মুছলিম দেশবোৰক একত্ৰিত কৰি ৰাখিবলৈ হ'লে ইজৰাইলৰ সৈতে শত্ৰুতা অব্যাহত ৰাখিব লাগিব। ইজৰাইলৰ জেৰুজালেমত ইহুদি আৰু মুছলিমৰ মাজত উপাসনাগৃহক লৈ যি বিবাদ চলি আছিল তাক কেন্দ্ৰ কৰি বিশ্বৰ সকলো মুছলিম এক; ইৰানে সেই জ্বলন্ত সমস্যাটো নিজৰ হাতলৈ আনি বিশ্বৰ সকলো মুছলিমৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছিল আৰু খোমেনিয়ে ক্ষমতা পোৱাৰ পাছত পৃথক মছজিদৰ বাবে কৰা দাবীক সমৰ্থন দিয়ে। ইজৰাইল গঠন হোৱাৰ পাছত লাখ লাখ পেলেষ্টাইনী দেশ এৰি লেবানন, ছিৰিয়া, জৰ্ডান আদি দেশৰ শৰণাৰ্থী শিবিৰৰ ভগনীয়া হৈছিল, সেইসকল পেলেষ্টাইনী লোকৰ প্ৰতি বিশ্বৰ সমগ্ৰ মুছলিমে সহানুভূতি দেখুৱাইছিল আৰু নিজৰ অধিকাৰৰ প্ৰতি পূৰ্ণ সমৰ্থন আছিল। মুছলিম দেশসমূহে অধিকাৰৰ দাবীত ইজৰাইলৰ সৈতে যুদ্ধ কৰিছিল যদিও পাছলৈ এৰি দিয়ে। লাহে লাহে ইজৰাইলক দেশ হিচাপে মান্যতা দিয়াটো নিশ্চিত হৈ পৰিল। আৰব দেশবোৰে এই ক্ষেত্ৰত একো নকৰা হ'ল। কিন্তু ইৰানৰ এক কৌশলী বুদ্ধি খোমেনিয়ে তৈয়াৰ কৰিলে, পেলেষ্টাইনীসকলৰ অধিকাৰৰ বাবে ইজৰাইলৰ লগত যুদ্ধ কৰিলে বিশ্বৰ মুছলিমৰ বাবে ইৰান নমস্য হৈ পৰিব। ইৰানে শত্ৰুতা অব্যাহত ৰাখে; লেবাননত থকা পেলেষ্টাইনীৰ দ্বাৰা ইজৰাইলক আক্ৰমণ-প্ৰত্যাক্ৰমণ চলি থাকে। লেবাননত ছিয়া মুছলমানৰ সংগঠন হিজবুল্লা গঠন হয়, সেই সংগঠনে ইৰানৰ সহায় বিচাৰে আৰু ১৯৮৫ চনত ইৰানে হিজবুল্লাক বিভিন্ন প্ৰকাৰে সহায় কৰে। সেই সময়ত ইৰান আৰু ইৰাকৰ যুদ্ধ চলি আছিল। আচৰিত কথা যে এই যুদ্ধত



Scanned with OKEN Scanner

ইজৰাইলে ইৰানক সহায় কৰিছিল ছাদ্দাম হুছেইনক পৰাভূত কৰিবলৈ আৰু সেই একেখন দেশ ইৰানে ইজৰাইলৰ বিৰুদ্ধে গঠন হোৱা হিজবুল্লাক সহায় কৰিছিল। এই বিষয়ে ইজৰাইলে সকলো কথা জনাৰ পাছতো কেৱল ছাদ্দাম হুছেইনক ক্ষমতাচ্যুত কৰাৰ বাবে বেলেগ পদক্ষেপ লোৱা নাছিল। আক্ৰমণ-প্ৰত্যাক্ৰমণ ১৯৯০ চনলৈকে চলি থাকে আৰু ইৰান আৰু ইৰাকৰ যুদ্ধৰো সামৰণি পৰে; কিন্তু ইৰানে হিজবুল্লাক মুকলিভাৱে সহায় কৰিবলৈ ধৰে আৰু হিজবুল্লাই ৰাজনৈতিক দল গঠন কৰি সংসদীয় নিৰ্বাচনত জড়িত হয়। হিজবুল্লাৰ আক্ৰমণত ইজৰাইলৰ বহু সৈনিকৰ মৃত্যু হয় আৰু ইজৰাইলৰ প্ৰতিশোধ অনুৰূপধৰণে দিয়া নিয়ম। ১৯৯৬ চনত ইজৰাইলে হিজবুল্লাক নিঃশেষ কৰিবলৈ ডাঙৰ পৰিকল্পনা হাতত লয়। ২০০০ চনলৈকে হিজবুল্লাকেন্দ্ৰিক সংঘাত চলিয়েই আছিল। দুয়ো পক্ষৰ হাজাৰ হাজাৰ সৈনিকৰ মৃত্যু হোৱাত ইজৰাইলৰ সাধাৰণ জনতাই নিৰাপত্তাহীনতাত ভুগি বিৰোধ কৰিবলৈ ধৰে। আমেৰিকাৰ অৱস্থা যেনেদৰে ভিয়েটনামত হৈছিল; এনে এক তুলনা সৰ্বত্ৰে হ'বলৈ ধৰে। প্ৰথমবাৰৰ বাবে ইজৰাইলৰ হাতত থকা লেবাননৰ অংশ কোনো সন্ধি নকৰাকৈ হিজবুল্লাৰ হাতত এৰি দিবলগা হয়। হিজবুল্লাৰ বাবে এয়া ডাঙৰ জয়লাভ আছিল। হিজবুল্লাৰ নেতা হছন নাছৰাল্লাহক (Hassan Nasrallah) মুছলিম দেশে অভিনন্দন জনায় আৰু ইৰানৰ আলি খোমেনিয়ে লগ ধৰি অভিনন্দন জনায়। ইয়াৰ পাছত গাজাত গঠন হোৱা হামাছ সংগঠনকো ইৰানে সকলোধৰণৰ সহায় কৰিবলৈ ধৰে। হিজবুল্লা আৰু হামাছে ইজৰাইলক দুয়োফালৰ পৰা আক্ৰমণ কৰে। আনফালে ছৌদি আৰবৰ ওচৰৰ দেশ য়েমেনত এটা সংগঠন হুথি আনছাৰউল্লাহৰ জন্ম দিয়ে আৰু সকলো ধৰণৰ সহায় কৰিবলৈ ধৰে। স্বাভাৱিকতে ছৌডি আৰব আমেৰিকাৰ ছত্ৰছায়াত থকা বাবে মুছলিম দেশবোৰৰ ভিতৰত শক্তিশালী হৈ থকাত ইৰানৰ বাবে আছিল মূৰৰ কামোৰণি। মন কৰিবলগীয়া যে ইৰানৰ নিয়ন্ত্ৰণত হিজবুল, হামাছ, হুথি আনছাৰউল্লাহ, লেবানন, ছিৰিয়া আদি যদিও মাজত আছিল তথাপি আমেৰিকাৰ দ্বাৰা লালিত-পালিত ছৌডি আৰব শক্তিশালী হৈ থাকিল। ২০০৫ চনৰ পৰা ইজৰাইল আৰু ইৰানৰ মাজত সংঘৰ্ষ জটিল হ'বলৈ ধৰে। ২০০৭ চনত লেবাননৰ লগত যুদ্ধ হয় যদিও ইজৰাইলে যুদ্ধ বন্ধ কৰে; কাৰণ ইৰানৰ বহু সৈনিকে হিজবুল্লাৰ লগত থাকি যুদ্ধ কৰিছিল। ইয়াৰ পাছত ইজৰাইলে ২০০৬ চনত হামাছ সংগঠনক নিঃশেষ কৰিবৰ বাবে গাজাৰ সৈতে যুদ্ধ কৰে। কিন্তু ইৰানে সহায় কৰাৰ বাবে সম্ভৱ নহ'ল। ইৰানৰ বাবে ডাঙৰ মূৰৰ কামোৰণি হ'ল ইজৰাইল পাৰমাণৱিক শক্তিসম্পন্ন দেশ, সেইবাবে মুখামুখি যুদ্ধ ইজৰাইলৰ সৈতে নকৰে। সেয়ে ইৰানে নিজকে পাৰমাণৱিক শক্তিসম্পন্ন কৰিব নোৱাৰালৈকে মুখামুখি যুদ্ধ কৰিব নোৱাৰে। এইক্ষেত্ৰত উত্তৰ কোৰিয়া ইৰানক সহায় কৰিবলৈ আগবাঢ়ি আহিল। ২০১০ চনৰ পৰা ইৰানে তেনে কামত হাত দিয়ে। যেতিয়াৰ পৰা এই কামত ইৰানে হাত দিবলৈ আৰম্ভ কৰিছিল তেতিয়াৰ পৰা আমেৰিকাৰ ছেণ্ট্ৰেল ইণ্টেলিজেন্স এজেন্সি আৰু ইজৰাইলৰ চোৰাংচোৱা সংস্থাৰ লগ লাগি ইৰানৰ পাৰমাণৱিক শক্তিৰ লগত জড়িত বিজ্ঞানীক হত্যা কৰিবলৈ আৰম্ভ কৰে। ২০১২ চনলৈকে এনে হত্যাকাণ্ডৰ লগতে পাৰমাণৱিক স্থানবোৰো ধ্বংস কৰিবলৈ ধৰে। ইৰানেও ইজৰাইলৰ বিদেশী দূতাবাসবোৰত আক্ৰমণ কৰিবলৈ ধৰে। কিন্তু এনে আক্ৰমণক ইজৰাইলে প্ৰতিৰোধ কৰিবলৈ সক্ষম হয়। যিমানে পাৰমাণৱিক কাৰ্যসূচীৰ প্ৰস্তুতি ইৰানে কৰিবলৈ লয় সিমানে ইজৰাইলে ধ্বংস কৰি গৈ থাকে। ২০১৫ চনত আমেৰিকাই যি প্ৰতিবন্ধক লগাইছিল সেয়া আঁতৰাই দিয়ে, কাৰণ দুয়োখন দেশৰ মাজত এখন চুক্তি হয় আৰু ইৰানে পাৰমাণৱিক বোমাৰ কামত আগ নবঢ়াৰ প্ৰতিশ্ৰুতি দিয়ে, মাত্ৰ বিজুলী উৎপাদনৰ বাবে ইউৰেনিয়াম ব্যৱহাৰ কৰিব। এই কথাত ইৰান ৰাজী হয়। এটা সময়ত ইজৰাইলৰ চোৰাংচোৱা সংস্থাই ইৰানৰ বহুতো গোপন তথ্য উদ্ধাৰ কৰিলত গোমৰ ফাঁক ওলাই পৰিল। গোপনে ইৰানে পাৰমাণৱিক বোমা নিৰ্মাণ কৰিছে। ইজৰাইলে ইৰানৰ গোপন অভিসন্ধি ধৰা পেলায়, কমেও দুই-তিনি ঠাইত পাৰমাণৱিক অস্ত্ৰ নিৰ্মাণৰ কথা প্ৰকাশ পায়। পুনৰ আমেৰিকাই ইৰানৰ ওপৰত ব্যৱসায়িক প্ৰতিবন্ধকতা আৰোপ কৰে। আনকি ইৰানে ইজৰাইলক আক্ৰমণ কৰিবৰ বাবে বিভিন্ন মুছলিম দেশত একাধিক সৈনিক স্থল (আড্ডা) নিৰ্মাণ কৰে। ২০১৯ চনৰ পৰা আমেৰিকাৰ নেতৃত্বত ইজৰাইলে এনে কাৰণতে ইৰানক বহুবাৰ আক্ৰমণ কৰে। এনেধৰণৰ সৰু-সুৰা আক্ৰমণ প্ৰায়ে দুয়োখন দেশৰ মাজত চলি আছিল। কাছেম ছুলেমানি হৈছে ইৰানৰ মেজৰ জেনেৰেল; তেওঁ জানি-বুজিয়ে হিজবুল্লা, গাজা, য়েমেনৰ হুথি আনছাৰউল্লাহ আদিক মজবুত কৰাৰ লগতে ছুলেমানি শক্তিশালী ব্যক্তি হৈ পৰিছিল। ২০২০ চনৰ তিনি জানুৱাৰিত ছুলেমানিক আমেৰিকাই হত্যা কৰে। হত্যাৰ পাছতে বিভিন্ন ঠাইত আমেৰিকাৰ বিৰুদ্ধে আন্দোলন আৰম্ভ হ'বলৈ ধৰে। বহুতো আমেৰিকান সৈনিকক আহত কৰে। ইয়াৰ পাছতো আমেৰিকাই কোনো প্ৰতিক্ৰিয়া দেখুউৱা নাছিল। কিন্তু ইজৰাইলে ইৰানৰ বিভিন্ন পাৰমাণৱিক স্থানত আক্ৰমণ কৰে। ইয়াৰ ফলত ইৰানৰ বহু ক্ষতি হয়। ২৭ জানুৱাৰি ২০২০ তাৰিখে ইৰানৰ পাৰমাণৱিক শক্তিৰ নেতা মহছিন ফাহৰিজেদকো হত্যা কৰে। সমুদ্ৰ পথেদি ইৰানে অস্ত্ৰ-শস্ত্ৰ সৰবৰাহ কৰা যুদ্ধ জাহাজবোৰতো ইজৰাইলে আক্ৰমণ কৰে। ২০২১ চনত ইজৰাইলে পুনৰ ইৰানৰ আন এটা পাৰমাণৱিক স্থান ধ্বংস কৰে। মাজে-সময়ে ইজৰাইলে ছাইবাৰ আক্ৰমণো কৰি ইৰানৰ ক্ষতি কৰে। ২০২২ চনত ইৰানৰ কৰ্নেলকো (হুছেইন চৈয়দ খোদা) হত্যা কৰে, ১৩ জুনত আন এজন বিজ্ঞানী মহম্মদ আব্দুছক হত্যা কৰে। আন দুজন বিজ্ঞানীকো বিহ খুৱাই হত্যা কৰে। জুলাই মাহত এজন সৈন্য অধিকাৰী আৰু আগষ্ট মাহত মেজৰ জেনেৰেল আলি ঝাক হত্যা কৰে। এই সময়ছোৱাত ইৰানে বহু আগশাৰীৰ লোকক হেৰুৱাবলগা হোৱাৰ উপৰিও বহু অনিষ্ট সাধন হয়। ইৰানে চেষ্টা কৰে যদিও ইজৰাইলৰ আধুনিক ব্যৱস্থাপনাৰ ওচৰত হাৰ মানিবলগা হয়। সেইবাবে ইৰানে ২০২২-২৩ চনত তিনিটা সংগঠনক অস্ত্ৰ-শস্ত্ৰ অধিক মাত্ৰাত দিয়ে। বেইৰুটত হামাছ সংগঠনৰ সৈতে বৈঠকত মিলিত হয়। ২০২৩ চনৰ অক্টোবৰ মাহত হামাছে ইজৰাইলৰ ওপৰত কৰা আক্ৰমণত বহুতো লোক হতাহত হয়। ইজৰাইলেও প্ৰত্যাক্ৰমণ কৰে। আগৰে পৰা গাজা ষ্ট্ৰিপৰ অৱস্থা বেয়া আছিল, তাৰ পাছতো ইজৰাইলে গাজা আক্ৰমণ কৰি নৰকসদৃশ অৱস্থা কৰে। সাধাৰণ জনতাই গাজা এৰি পলায়ন কৰে। হামাছৰ সকলো আক্ৰমণত ইৰানৰ সহায় আছিল গুৰুত্বপূৰ্ণ। হামাছে গাজাত নিৰ্মাণ কৰা গোপন সুৰংগবোৰ এতিয়াও ৰহস্যময় হৈ আছে। ইয়াৰ পাছতো কিন্তু ইজৰাইলক পৰাভূত কৰা সম্ভৱ নাছিল। মধ্যপ্ৰাচ্যত অকলে সৰু ৰাষ্ট্ৰ হৈয়ো ইজৰাইল শক্তিধৰ দেশ। ইৰানৰ প্ৰয়াসক বাৰে বাৰে আমেৰিকাৰ হস্তক্ষেপত অসম্ভৱ কৰি তোলা আৰু কোনোপধ্যে ইৰান যাতে পৰমাণু শক্তিধৰ দেশ হ'ব নোৱাৰে, তাৰেই পৰিণতিত আজিৰ ইজৰাইল ইৰানৰ যুদ্ধ, লগতে আমেৰিকাও এই যুদ্ধত প্ৰত্যক্ষভাৱে নামি পৰিছে। মুঠৰ ওপৰত আমেৰিকাই ইৰানৰ ওপৰত কৰা আক্ৰমণে অনাগত দিনত বিশ্ববাসীৰ বাবে অধিক ভয়াবহ কৰি তোলাৰ সম্ভাৱনাই বেছি।

ঠিকনা : সহযোগী অধ্যাপক, যোৰহাট মহাবিদ্যালয়, মহাত্মা গান্ধী পথ, যোৰহাট-৭৮৫০০১, ফোন : ৯১০১১২২৬৩৮



Scanned with OKEN Scanner

Scanned with OKEN Scanner